স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

□ পঞ্চদশ বছৰ □ সংখ্যা ১৭৩ □ বৃহস্পতিবাৰ □ ১১ ভাদ ১৯৪৭ শক □ ২৮ আগষ্ট ২০২৫ চন □ VOL-15 □ NO-173 □ THURSDAY 28 AUGUST 2025

**আনৰ ওপৰত এটা জাতিৰ ভাষা-সংস্কৃতি জীয়াই নাথাকে ঃ ড° শশীকান্ত শইকীয়া**

## টেঙাখাত জাতীয় বিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ উদ্বোধনী অনুষ্ঠান

### বৰ্ণাঢ্য অনুষ্ঠানত কেইবাগৰাকীও বিশিষ্ট ব্যক্তিৰ অংশগ্ৰহণ ঃ ২৫খন পতাকা উত্তোলন

**নিয়মীয়া বাৰ্তা, টেঙাখাত, ২৭ আগষ্ট ঃ** টেঙাখাত জাতীয় বিদ্যালয়ে ২৫ টা বৰ্ষ গৰকি ৰূপালী জয়ন্তী বৰ্ষত ভৰি দিয়াত আজি উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত পচিশটা বৰ্ষৰ প্ৰতীকী হিচাপে বিদ্যালয়ৰ পচিশখন পতাকা উত্তোলন কৰা হয়। পচিশখন পতাকাৰ একোখনকৈ পতাকা উত্তোলন কৰে বিদ্যালয়ৰ অধ্যক্ষ, বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি, সম্পাদক, সহযোগী সম্পাদিকাকে ধৰি টেঙাখাত অঞ্চলৰ বিশিষ্ট ব্যক্তি, বিদ্যালয়ৰ অভিভাৱক-অভিভাৱিকা, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে। স্মৃতি তৰ্পণ কাৰ্যসূচী বন্তি প্ৰজ্বলন কৰি মুকলি কৰে বিদ্যালয়ৰ প্ৰধান শিক্ষক ঘণকান্ত হাজৰিকাই। গছপুলি ৰোপণ কাৰ্যসূচীত বৃক্ষৰোপক হিচাপে অংশগ্ৰহণ কৰে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, অঞ্চলটোৰ বিশিষ্ট ব্যক্তি, অভিভাৱক-অভিভাৱিকা, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীয়ে। ইয়াৰ পাছতে বিদ্যালয়ৰ অধ্যক্ষ লক্ষীনাথ শৰ্মাৰ সভাপতিত্বত উদ্বোধনী সভা অনুষ্ঠিত হয়। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি দুৰ্লভৰঞ্জন গগৈয়ে উদ্বোধন কৰা সভাত নিৰ্দিষ্ট বক্তা হিচাপে ১০ পৃষ্ঠাত



স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

পঞ্চদশ বছৰ ☐ সংখ্যা ১৭৩ ☐ বৃহস্পতিবাৰ ☐ ১১ ভাদ ১৯৪৭ শক ☐ ২৮ আগষ্ট ২০২৫ চন ☐ VOL-15 ☐ NO-173 ☐ THURSDAY 28 AUGUST 2025

# টেঙাখাত জাতীয় বিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ

ডিব্ৰুগড় এইচ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, শিক্ষাবিদ তথা বিশিষ্ট সাহিত্যিক ড° শশীকান্ত শইকীয়াই ভাষণ প্ৰদান কৰি ভাষণ প্ৰসংগত কয় যে আমি ৰাতি পুৱা শুই উঠাৰ পৰা নিশা বিচানালৈ যোৱালৈকে ইংৰাজী শব্দৰ লগতে অভ্যস্ত থাকো। আমি অসমীয়া ভাষা কওঁ যদিও ইংৰাজী শব্দ বেছি ব্যৱহাৰ কৰো। আনৰ ওপৰত এটা জাতিৰ ভাষা, সংস্কৃতি কেতিয়াও বেচিদিন জীয়াই নাথাকে। অসমীয়া জাতিটো জীয়াই থাকিবলৈ হ'লে অসমীয়া সাহিত্যৰ গ্ৰন্থ অধ্যয়ন কৰিব লাগিব। বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয় পুথিভঁৰালৈ যাবলৈ আনিহা প্ৰকাশ কৰে। গ্ৰন্থ অধ্যয়ন কৰাত মনোনিৱেশ দিয়াৰ পৰিলক্ষিত নহয়। জাপান, চীন, ৰাছিয়াৰ দৰে উন্নত দেশবিলাকে নিজৰ ভাষাৰে সকলো দিশতে উন্নতিৰ দিশত আগবাঢ়িছে। অসমীয়া ভাষাৰ প্ৰতি আকৰ্ষিত কৰিবলৈ জাতীয় বিদ্যালয়সমূহে উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিব লাগিব বুলি ভাষণ প্ৰসংগত তেওঁ উল্লেখ কৰে। অসমত বহু আগতে জাতীয় বিদ্যালয় গঢ়ি উঠিব লাগিছিল বুলি ভাষণ প্ৰসংগত কয়। সভাত বক্তব্য প্ৰদান কৰে বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সম্পাদক দিগন্ত হাজৰিকাই। বিদ্যালয়ৰ অধ্যক্ষ হিচাপে সভাত বক্তব্য ৰাখে অধ্যক্ষ লক্ষীনাথ শৰ্মাই। বিশিষ্ট অতিথি হিচাপে বক্তব্য প্ৰদান কৰে অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰদীপ বৰুৱাই। বিদ্যালয়ৰ প্ৰাক্তন শিক্ষয়িত্ৰী বিজয়লক্ষী ফুকন বৰুৱা আৰু প্ৰাক্তন ছাত্ৰ মানসপ্ৰতীম সোণোৱাল আৰু পাৰ্থপ্ৰতীম কোঁৱৰে বক্তব্য ৰাখে। ছাত্ৰ-ছাত্ৰীৰ সমৱেত গীতেৰে মঞ্চ মুকলি কৰা হয়। ছাত্ৰীসকলে পৰিৱেশন কৰা বৰগীতেৰে সভাখন আৰম্ভ কৰা হয়। বক্তৃতাৰ মাজে মাজে ছাত্ৰী স্বাগতা গগৈ, ৰোণচেং গগৈ আৰু বৃষ্টি চেতীয়াই গীত পৰিবেশন কৰি উপস্থিত ৰাইজক আপ্লুত কৰে। সভাত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সহযোগী সম্পাদিকা গীতা গগৈ হাজৰিকা, শুভাকাংক্ষী তথা অভিভাৱক ক্ষীৰোদ দাস, ব্ৰজেন গগৈ, তাৰকানন্দ গগৈ, বিদ্যালয়ৰ প্ৰধান শিক্ষক ঘণকান্ত হাজৰিকা, প্ৰেৰাজ শৰ্মা আৰু প্ৰাক্তন শিক্ষয়িত্ৰী মিনাক্ষী সোণোৱাল। শিক্ষক দীপক গগৈয়ে অনুষ্ঠানৰ কাৰ্যসূচী আঁতধৰাৰ লগতে শলাগৰ শৰাই আগবঢ়াই বক্তব্য ৰাখে। অধ্যক্ষ লক্ষীনাথ শৰ্মা, বিশিষ্ট অতিথি ড° শশীকান্ত শইকীয়া সভাপতি দুৰ্লভৰঞ্জন গগৈ আৰু সহযোগী সম্পাদিকা গীতা গগৈ হাজৰিকাই বন্তি প্ৰজ্বলন কৰাৰ পাছতে উদ্বোধনী সভাখন আৰম্ভ কৰা হয়। সমূহীয়াকৈ জাতীয় সংগীত পৰিৱেশন কৰি সামৰণি পেলোৱা হয়।